**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :14**-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।	অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোতে নেলী কাণ্ডৰ প্ৰতিবেদন সদনত দাখিলৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ধেমাজি জিলাৰ অকাজানত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৩।	ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ। শীঘ্ৰে এই সন্দৰ্ভত এছ্ অ' পি জাৰিৰ সম্ভাৱনা।

৪।	বিহাৰ বিধানসভাৰ ২৪৩টা সমষ্টিৰ নিৰ্বাচনৰ ভোটগণনা আৰম্ভ।

*আৰু*

৫।	কলকাতাৰ ইডেন গাৰ্ডেনছত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কিছুসময় পাছত আৰম্ভ।

০০০০০০

অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোতে নেলী কাণ্ডৰ প্ৰতিবেদন সদনত দাখিলৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ১৯৮৩ চনত ৰাজ্যত সংঘটিত হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ত্ৰিভূবন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদনৰ প্ৰতিলিপি বিধানসভা অধিৱেশনৰ প্ৰথম দিনটোতে দাখিল কৰা হ'ব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মন্ত্ৰীসভাই অসম মালা আঁচনিৰ তৃতীয় সংস্কৰণ আৰম্ভ কৰাৰ বাবেও অনুমোদন জনায়। আঁচনিখনৰ তৃতীয় সংস্কৰণৰ জৰিয়তে ৮৮৩ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবদ তিনি হাজাৰ ২১৭ কোটি টকা ব্যয়ৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাৰ বৈঠকত গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পুনৰ নিৰ্মাণত অনুমোদন জনোৱা হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৭৬৫ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্পৰ পুনৰ নিৰ্মাণ কৰা হ'ব। তেওঁ কয়, যে ইয়াৰ অধীনত ২৫ হাজাৰ আসন বিশিষ্ট এখন বিশ্বমানৰ ফুটবল ষ্টেডিয়াম, বিভিন্ন ক্ৰীড়াৰ প্ৰশিক্ষণ আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুবিধা, ছুইমিং পুল নিৰ্মাণকে ধৰি অন্যান্য সুবিধাসমূহ গঢ়ি তোলা হ'ব। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা ৰাজহচক্ৰৰ মাকুম মৌজাৰ অধীনৰ লিডু-নামডাঙত ৯ দশমি ৭ হেক্টৰ ভূমি সংৰক্ষিত বনাঞ্চল হিচাপে গঠন কৰাৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ চৰকাৰী বন্ধৰ তালিকাত মন্ত্ৰীসভাৰ অনুমোদনৰ বিষয়ে প্ৰকাশ কৰি কয়, যে অনাগত বৰ্ষটোত ৩৫টা ৰাজপত্ৰিত বন্ধ, ৩৯ টা সীমিত বন্ধ আৰু এদিন অৰ্ধছুটী মঞ্জুৰ কৰা হৈছে। ইপিনে, অহা ১৮ নৱেম্বৰত জুবিন গাৰ্গৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ৫৩ টা স্থানত হ'বলগীয়া ৰক্তদান শিবিৰলৈ কাৰিকৰী সহযোগিতা আগবঢ়োৱাৰ বাবে মন্ত্ৰীসভাই স্বাস্থ্য বিভাগক দায়িত্ব অৰ্পণ কৰে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ অকাজানত অনুষ্ঠিত হ'বলগীয়া জন সমাবেশত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ নিৰ্বাচিত হিতাধিকাৰীক চেক প্ৰদান কৰিব। ইতিমধ্যে ধেমাজিত মুখ্যমন্ত্ৰীৰ আগমনৰ কাৰণে সভাস্থলীত সকলোবোৰ যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰা হৈছে।

এই আঁচনিৰ অধীনত কালি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। মহিলা সবলীকৰণৰ কাৰণে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপে বিগত চাৰি বছৰৰ পাছত ৰাজ্যৰ মহিলা উদ্যমীসকলক আত্মনিৰ্ভৰ কৰাত বিশেষ অৰিহণা যোগাইছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে।

ইফালে, স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে মুখ্যমন্ত্ৰীৰ উপস্থিতিত কালি শিক্ষা বিভাগৰ ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত তেওঁৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ পাছত নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত এনেদৰে কয় –

বাইট (চি এম)

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ ফলত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ গাহৰি পালকসকলৰ যথেষ্ট ক্ষতি হৈছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। লখিমপুৰ জিলাত পশুপালন বিভাগে এই পৰ্যন্ত এহেজাৰ ৭০৬টা গাহৰি নিধন কৰিছে। জিলাখনৰ ২৯ টা স্থানৰ ৩৪ খন গাহৰি ফাৰ্মৰ গাহৰি নিধন কৰা হৈছে। জিলাখনত যোৱা ৯ নৱেম্বৰৰ পৰা গাহৰি বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ধেমাজি জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মা-

(বাইট)

আমাৰ বজালী জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ মুগুৰীয়া, মাজিওপাৰা, পাঠশালা, গোবিন্দপুৰ, জালিখাটা আদি অঞ্চলৰ বহু সংখ্যক গাহৰি আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণত মৃত্যু হৈছে। বজালীৰ পশুপালন বিভাগে বটিয়া, ৰূপদিগা, ৰামৰূপ, গেৰুৱাপাৰা আদি অঞ্চলৰ দুই শতাধিক গাহৰিৰ দেহত এই ৰোগৰ সংক্ৰমণ ধৰা পেলোৱাৰ পাছত আটাইবোৰ গাহৰি নিধন কৰিছে বুলি জনাইছে।

আফ্ৰিকান ছোৱাইন ফিভাৰৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে বহিঃৰাজ্যৰ পৰা অনা গাহৰি অসম-বংগ সীমান্তত পৰীক্ষাৰ পাছত সংক্ৰমণ ধৰা পৰিলে সেই ঠাইতে নিধন কৰাৰ সিদ্ধান্ত লৈছে। ৰাজ্য চৰকাৰে শীঘ্ৰেই গাহৰিৰ মাংস বিক্ৰীৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিব। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পলে এটা সংবাদমাধ্যমক জনোৱা মতে বিভিন্নি ঠাইত ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধৰ বাবে ব্যৱস্থা লোৱা হৈছে যদিও এই ৰোগৰ কোনো প্ৰতিষেধক নথকাৰ বাবে ইয়াৰ সংক্ৰমণ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইয়ো এই পৰিস্থিতিৰ পৰ্যালোচনা কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। চৰকাৰে ক্ষতিগ্ৰস্ত সকলো গাহৰি পালকক ক্ষতিপূৰণ প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰে গাহৰি পালকসকলক ক্ষতিপূৰণ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৪ কোটি টকাৰ অনুদান বিচাৰিছে।

উল্লেখযোগ্য যে, ছোৱাইন ফিভাৰৰ ফলত ৰাজ্যত ৬ হাজাৰৰো অধিক গাহৰিৰ মৃত্যু হৈছে। প্ৰতিদিনে সংক্ৰমিত গাহৰি নিধন কৰা হৈছে আৰু বৰ্তমানলৈকে এই সংখ্যা ১৪ হাজাৰ ৬৯১লৈ বৃদ্ধি পাইছে।

০০০০০০

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰথম প্ৰধানমন্ত্ৰীগৰাকীলৈ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো শিশু দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। এটা শুভেচ্ছা বাৰ্তাত ড০ শৰ্মাই শিশু পৃথিৱীৰ আটাইতকৈ প্ৰিয়তম উপহাৰ বুলি মন্তব্য কৰি প্ৰতিটো শিশুৰ কুশল কামনা কৰে।

০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কটকটীয়া নিৰাপত্তাৰ মাজত চলি আছে। ৰাজ্যখনৰ ৩৮ খন জিলাৰ ৪৬টা কেন্দ্ৰত আজি পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হয়। প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছে আৰু চাৰে ৮ বজাৰ পৰা ই ভি এমৰ ভোটসমূহ গণা কৰিবলৈ লোৱা হৈছে। ২৪৩ গৰাকী ৰিটাৰ্ণিং বিষয়াই সমান সংখ্যক গণনা ৰাজ্যখনৰ ২৪৩টা বিধানসভা সমষ্টিৰ বাবে দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল। নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা অৰ্জনৰ বাবে যিকোনো এটা দলে ১২২ খন আসন দখল কৰিব লাগিব। ইতিমধ্যে দুহেজাৰ ৬১৬গৰাকী প্ৰাৰ্থীৰ ভাগ্য বন্দী হৈ থকা ই ভি এমসমূহ ষ্ট্ৰং ৰূমত  ৰখা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে পালন কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক - বিক্ৰেতা সন্থাই আয়োজন কৰা অসম গ্ৰন্থমেলাৰ যোৰহাট সংস্কৰণৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে আজিৰেপৰা দহদিনীয়াকৈ এই গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। আজি বিয়লি গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ধ্ৰুৱজ্যোতি বৰাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক, শিশু সাহিত্যিক ড° কৰবী ডেকা হাজৰিকা, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ আৰু অভিধান প্ৰণেতা সুমন্ত চলিহাৰ লগতে বিশিষ্ট শিশু সাহিত্যিক শান্তনু তামুলীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। কাইলৈ গ্ৰন্থমেলাথলীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে 'ড° ভূপেন হাজৰিকাৰ গীতত অসমৰ জনজীৱন' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ আলোচনাসত্ৰ অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত গ্ৰন্থমেলাৰ সামৰণি পৰিব বুলি এটা বিজ্ঞপ্তিযোগে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জানিবলৈ দিছে। ইয়াৰ পূৰ্বে বঙাইগাঁও আৰু লখিমপুৰত অসম গ্ৰন্থমেলাৰ চলিত বৰ্ষৰ দুটা সংস্কৰণ সফলতাৰে সম্পন্ন হয়।

০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব। খেলখন কিছুসময় পাছতে আৰম্ভ হ'ব। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা জয় কৰাৰ পাছত শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটোৱে টেম্বা বাভুমাৰ নেতৃত্বত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও জয়ৰ ধাৰা অব্যাহত ৰখাৰ প্ৰয়াস কৰিব। এই শৃংখলাটো বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ চলিত চিজনৰ বাবেও গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। শৃংখলাৰ দ্বিতীয়খন খেল ২২ৰ পৰা ২৬ নৱেম্বৰলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ ঠাই বিশেষে দুই এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামৰ বতৰ ফৰকাল হৈ থাকিব বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত